সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৩২ সংখ্যা, ২৯ শাওণ, ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 32 *Date Of Publication - 15August 2021 Rs. 5.00/-




## ৭৫সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপনৰ বাবে কʼভিড -১৯ সম্পৰ্কত নতুন নিয়মাৱলী



বাৰ্ত্তাসেৱা- অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে ৭৫ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপনৰ সময়ত মানি চলিবলগীয়া কʼভিড-১৯ ৰ নিয়মাৱলী সন্দৰ্ভত এক নিৰ্দেশনা জাৰি কৰিছে। সেইমৰ্মে মুকলি ঠাই বা খেলপথাৰত ৰাজ্যিক পৰ্যায়ত উদ্‌যাপন কৰিবলগীয়া অনুষ্ঠানত ১৫০০ তকৈ অধিক লোক সমৱেত হʼব নোৱাৰিব। সেইদৰে জিলাভিত্তিত অনুষ্ঠিত হʼবলগীয়া অনুষ্ঠানত ৫০০ আৰু মহকুমা ভিত্তিত অনুষ্ঠিত হʼবলগীয়া স্বাধীনতা দিৱসৰ অনুষ্ঠানত ৩০০ জনতকৈ অধিক লোক উপস্থিত থাকিব নোৱাৰিব। উল্লেখিত স্থানসমূহৰ উপৰি অন্য স্থানত আয়োজিত অনুষ্ঠানত জনসমাগম ২০০ তকৈ অধিক হʼব নোৱাৰিব। বন্ধ হল, প্ৰেক্ষাগৃহ আদিৰ ক্ষেত্ৰত মুঠ আসনৰ ৫০ শতাংশ বা ২০০ তকৈ অধিক মানুহ উপস্থিত থাকিব নোৱাৰিব। স্বাধীনতা দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ যোৱা ব্যক্তিযবিষয়া-কৰ্মচাৰীৰ ক্ষেত্ৰত সান্ধ্য আইন আৰু যুগ্ম-অযুগ্ম নম্বৰ ব্যৱস্থা শিথিল কৰা হৈছে। অৱশ্যে উদ্‌যাপনৰ সময়ছোৱাত সকলোৱে কʼভিড-১৯ ৰ সকলো নিয়মাৱলী যেনে - মাস্কৰ ব্যৱহাৰ, সামাজিক দূৰত্ব, চেনিটাইজেছন আদি মানি চলাটো বাধ্যতামূলক।

## প্ৰবল বিৰোধিতা মাজত সংসদত গৃহীত হʼল গো সুৰক্ষা বিধেয়ক

বাৰ্ত্তাসেৱা— সমগ্ৰ দেশতেই ব্যাপক চৰ্চা চলি থকা গো-সুৰক্ষা বিধেয়কখন বিধানসভাৰ মজিয়াত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিবেচনাৰ বাবে উত্থাপন কৰে। এই বিধেয়কখনৰ বিৰুদ্ধে ৭৬ সংশোধনী প্ৰস্তাৱ বিধানসভাৰ মজিয়াত বিৰোধী পক্ষই অধ্যক্ষৰ ওচৰত দাখিল কৰে। প্ৰতিটো প্ৰস্তাৱৰ বিপৰীতে আলোচনা কৰটো সম্ভৱ নহয় বাবে বিৰোধী পক্ষৰ বিধায়কসকলক প্ৰতিটো সংশোধনীৰ বিপৰীতে নগৈ এককভাৱে নিজৰ বক্তব্য দাঙি ধৰিবলৈ আহ্বান জনায়। আঢ়ৈ ঘণ্টা ধৰি এই বিধেয়কখন সন্দৰ্ভত আলোচনা হয় আৰু শাসক পক্ষই মৌখিক ভোটত বিধেয়কখন গৃহীত কৰে। বিৰোধীয়ে অনা সংশোধনী প্ৰস্তাৱসমূহ চৰকাৰে মানি নোলোৱাৰ বাবে বিৰোধীয়ে সদন ত্যাগ কৰে। বিধেয়কখন গৃহীত হোৱাৰ লগে লগে এতিয়াৰ পৰা গো-সুৰক্ষাৰ ক্ষেত্ৰত ৰাজ্যত কঠোৰতম ব্যৱস্থা বলৱৎ হʼব। য়াৰদ্বাৰা অসমৰ মাজেৰে পশুধন



সৰবৰাহ কৰাটো বন্ধ হব আৰু হিন্দু, শিখ, জৈল বৌদ্ধ আদি বসতিপূৰ্ণ এলেকাত গো-হত্যা বন্ধ হৈ পৰিব। মন্দিৰৰ পৰা ৫ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত গো-মাংস বিক্ৰী তথা গ্ৰহণ বন্ধ হৈ পৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিৰোধীয়ে অনা সংশোধনীৰ প্ৰস্তাৱৰ ওপৰত ভাষণ প্ৰদান কৰি কয় যে মহামানৱ মহাত্মা গান্ধীয়ে গো-মাতা সন্দৰ্ভত বহু বক্তব্য ৰাখি থৈ গৈছে। হিন্দুৱে কিমান ডাঙৰকৈ তিলক পিন্ধিছে তাতকৈ গো-মাতাক কিমান সুৰক্ষা দিছে সেয়াহে হিন্দু ধৰ্মৰ প্ৰধান পৰিচয়ৰূপে মহাত্মা গান্ধীয়ে কৈ থৈ গৈছে। এই বিৰ্তকত মহাত্মা গান্ধীৰ কেইবাখনো গ্ৰন্থত গো-সুৰক্ষা সন্দৰ্ভত উল্লেখ কৰা বক্তব্যৰ উদ্ধৃতি দি মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছক তীৰ্ব সমালোচনা কৰে। গো-হত্যা আৰু সৰবৰাহ কঠিন হৈ পৰিলে ৰাজ্যৰ অৰ্থনীতিত বিৰূপ প্ৰভাৱ পৰিব বুলি কংগ্ৰেছে ৰখা বক্তব্যটো শোভা নাপায়।

# আছাম টেনান্সি এক্ট ২০২১ গৃহীত

বাৰ্ত্তাসেৱা— ভাড়া ঘৰৰ মালিক আৰু ভাড়াতীয়াসকলৰ স্বাৰ্থ সুৰক্ষাৰ অৰ্থে দেশৰ ভিতৰত প্ৰথমবাৰৰ বাবে অসমে গৃহীত কৰিছে আছাম টেনান্সি এক্ট ২০২১। ইয়াৰ জৰিয়তে যিকোনো চৌহদ ভাড়ালৈ দিয়াৰ প্ৰক্ৰিয়াটো সংশ্লিষ্ট কতৃৰ্পক্ষই নিয়ন্ত্ৰণ কৰিব। এই আইনখন গৃহীত কৰাৰ ফলস্বৰূপে পূৰ্বৰ অসম নগৰাঞ্চল ভাড়া নিয়ন্ত্ৰণ আইন, ৰহ্মাজ্ঞ খন বাতিল হৈ পৰিছে। এই আইনখনৰ অধীনত জিলা পৰ্যায়ত স্থাপন হ'বলগীয়া ভাড়া কতৃৰ্পক্ষ, ভাড়া আদালত আৰু ভাড়াৰ উচ্ছতৰ আদালতে মালিক পক্ষ আৰু ভাড়াতীয়াসকলৰ মাজৰ বিবাদ নিস্পত্তিৰ প্ৰক্ৰিয়াটো খৰতকীয়া কৰিব। আইনখনৰ জৰিয়তে চৌহদৰ ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰত মালিক আৰু ভাড়াতীয়াসকলৰ দায়িত্ব সম্পৰ্কেও স্পষ্ট কৰি দিয়া হৈছে। চৌহদ এটাৰ ভাড়া নিৰ্ধাৰণৰ ক্ষেত্ৰত কোনো কৃত্ৰিম ওপৰঞ্চি নিয়ম প্ৰযোজ্য নহব। একেদৰে এটা ভৱনৰ ভাড়া মালিক আৰু ভাড়াতীয়াৰ মাজৰ বুজাবুজিৰ দ্বাৰা বজাৰ দৰৰ ভিত্তিত নিৰ্ধাৰণ কৰা হক্সব।

## জীৱন-সংগীত

ড০ ৰাস্না ৰাজখোৱা
জামুগুৰিহাট, শোণিতপুৰ



বিশ্বাস কৰানে নকৰা নাজানো
আৰ্তঁৰি যোৱাৰ কথা নাছিল
আকাংক্ষা আৰু উৎকণ্ঠাই
হাতত ধৰি
লাহে লাহে লৈ গৈছিল
নিলগলৈ....নিলগলৈ....বহু নিলগলৈ
ধৰিবকে নোৱাৰিলো
দাপোণত মোৰ শান্ত মুখ
অথচ
শুবও নোৱাৰো, সাৰে থাকিবও নোৱাৰো
মন অৰণ্যত অহৰহ পক্ষীৰ কল্লোল
ভিৰৰ মাজতো
ইমান নিসংগ মানুহবোৰ
কেতিয়াবা
নাখাওঁ নবওঁ যেন লাগে
একান্ত ইচ্ছা আছিল, উভতি অহাৰ
উভতনি পথ যে ৰুদ্ধ
এতিয়া
ক'ৰ পৰা কেনেকৈ আৰম্ভ কৰো
জীৱনৰ এটা নতুন সংগীত
ৰ'দ জিলিকা সপোন এটাই ক'লে
তুমি য'ত থিয় হৈ আছা
তাৰ পৰাই, তেনেকৈয়ে
যেনেকৈ
মৰুভূমিত পানী অবিহনেও
বালিক সাৰটি
জীয়াই থাকে গছ।

# বহুমুখী প্ৰতিভাৰ আকৰ ড০ ভবেন্দ্ৰনাথ শইকীয়া

বন্দিতা শৰ্মা কন্দলী

(১৩ আগষ্ট ড. ভবেন্দ্ৰনাথ শইকীয়াৰ স্মৃতি দিৱসৰ শ্ৰদ্ধাঞ্জলি)

"সাহিত্য, সংগীত, চিত্ৰকলা, চলচ্চিত্ৰ-এইবোৰ একেখন চালিৰ তলতে থকা বেলেগ- বেলেগ কোঠালি। ইটো কোঠালিৰ পৰা সিটো কোঠালি লৈ অহা-যোৱা কৰিবলৈ আহল-বহল দুৱাৰ আছে। কোনে কোনটো কোঠালিত স্বচ্ছন্দে বাস কৰে, কোনটোৰ পৰা কোনটোলৈ কিমান সঘনে অহা-যোৱা কৰে, সেইটো তেওঁৰ প্ৰতিভা, সৌন্দৰ্যবোধ, কৰ্মক্ষমতা আদিৰ ওপৰত নিৰ্ভৰ কৰে। এইবোৰৰ বলত তেওঁ বিভিন্ন কোঠালিত বিভিন্ন ৰসৰ ছবি আঁকিব পাৰে।" হৃদয়ানন্দ গগৈয়ে সম্পাদনা কৰা গ্ৰন্থ "গল্প আৰু শিল্প"ত সন্নিবিষ্ট সাক্ষাৎকাৰ ৰ এটি প্ৰশ্ন "অসমীয়া সাহিত্য আৰু চলচ্চিত্ৰ জগত এই দুই ভিন্ন ক্ষেত্ৰত আপোনাৰ ভুমিকা- এই সম্পৰ্কে আপুনি কেনেদৰে ভাবে?"ৰ উত্তৰত ডক্টৰ ভবেন্দ্ৰনাথ শইকীয়াই উল্লেখিত মন্তব্য আগবঢ়ায়।



প্ৰকৃতাৰ্থতেই ড. ভবেন্দ্ৰনাথ শইকীয়াই একেখন চালিৰ তলতে থকা প্ৰতিটো কোঠাতেই তেখেতৰ প্ৰতিভা, সৌন্দৰ্যবোধ আৰু কৰ্মক্ষমতা ৰ বলত বিভিন্ন ৰসৰ ছবি আঁকি উচ্চ আসন অধিকাৰ কৰিছিল। এই গৰাকী মহান প্ৰতিভাসম্পন্ন ব্যক্তিৰ জন্ম হৈছিল ১৯৩২ চনৰ ২০ফেব্ৰুৱাৰি তাৰিখে নগাঁও জিলাৰ ফৌজদাৰী পট্টিৰ কীৰ্তনঘৰৰ'ড নামৰ চুবুৰীটোত। এটা সংস্কৃতিবান পৰিয়ালত জন্মগ্ৰহণ কৰা ভবেন্দ্ৰনাথ শইকীয়াৰ পিতৃ আছিল বিদুৰ কুমাৰ শইকীয়া আৰু মাতৃ আছিল চম্পাবালা শইকীয়া। নগাঁৰৰ মোক্তাৰ প্ৰাইমেৰী স্কুলত প্ৰথম শিক্ষা আৰম্ভ কৰা শইকীয়াই ১৯৪৮ চনত নগাঁও গৰ্ণমেণ্ট হাইস্কুলৰ পৰা তিনিটা বিষয়ত লেটাৰ মাৰ্ক সহ উত্তীৰ্ণ হৈ ১৯৫০ চনত কটন কলেজৰ পৰা ইন্টৰমিডিয়েট পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়।১৯৫২ চনত কটন কলেজৰ পৰাই পদাৰ্থ বিজ্ঞান বিষয়ত অনাৰ্ছ সহ স্নাতক ডিগ্ৰী লাভ কৰে। তাৰ পিছত তেখেতে কলকাতা বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।১৯৫৮ চনত তেখেতে গৱেষণাৰ বাবে ইংলেণ্ডলৈ যাত্ৰা কৰে আৰু ১৯৬১ চনত পি এইচ ডি ডিগ্ৰী লাভ কৰি অসমলৈ ঘূৰি আহি গুৱাহাটী বিশ্ববিদ্যালয়ত পদাৰ্থ বিজ্ঞান বিভাগৰ প্ৰবক্তা হিচাপে কৰ্মজীৱন আৰম্ভ কৰে। ভবেন্দ্ৰনাথ শইকীয়াৰ কৰ্মৰাজী ব্যাপক আৰু সুদূৰপ্ৰসাৰী । তেখেতে আছিল ক্ৰমে গুৱাহাটী

(ছয়পৃষ্ঠাত চাওক)

# টিহুৰ পৰা জলসিঞ্চন বিভাগৰ দুটাকৈ কাৰ্যালয় স্থানান্তৰ কৰিবলৈ ওলোৱা কাৰ্যৰ বিৰোধিতা কৰি টিহুত দুঘন্টীয়া অৱস্থান ধৰ্মঘট

বাৰ্ত্তাসেৱা- টিহু বাসী ৰাইজৰ চল্লিশ বছৰীয়া সংগ্ৰামৰ অন্তত চল্লিশ বৰ্ষৰ পহিলা জানুৱাৰীত তদানীন্তন মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে টিহুক নলবাৰী জিলাৰ দ্বিতীয়টো মহকুমা হিচাপে ঘোষণা কৰে । মহকুমা দাবীৰ আন্দোলনত টিহু আঞ্চলিক ছাত্ৰ সন্থাৰ সদস্য হিমাংশু তামুলী শ্বহীদ হৈছিল । মহকুমা ঘোষণা হে হ'ল, কিন্তু আজিলৈকে নাপালে পূৰ্ণাংগ ৰূপ ।শ্বহীদৰ কেঁচা তেজৰ বিনিময়ত টিহুক মহকুমা হিচাপে ঘোষণা কৰাৰ পিছত কেইবাটাও চৰকাৰী কাৰ্যালয় টিহুত স্থাপন হব বুলি টিহু বাসী ৰাইজে আশা কৰিছিল ।কিন্তু নতুন কাৰ্যালয় অহা দুৰৈৰ কথা থকা কাৰ্যালয় কেইটাও টিহুৰ পৰা স্থানান্তৰ কৰিব ওলোৱা কাৰ্যত জাঙুৰ খাই উঠিছে টিহু বাসী ৰাইজ । শেহতীয়া ভাৱে টিহুস্থিত জলসিঞ্চন বিভাগৰ যান্ত্ৰিক সংমণ্ডল আৰু অনুসন্ধান সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয় দুটা টিহুৰ পৰা স্থানান্তৰ কৰিব ওলোৱাত ক্ষোভিত হৈ পৰিছে টিহুবাসী ৰাইজ ।উল্লেখ্য যে জলসিঞ্চনৰ টিহু অনুসন্ধান কাৰ্যালয় টো বৰপেটা জিলাৰ সৰ্থেবাৰীলৈ আৰু টিহু দক্ষিণ বজালী যান্ত্ৰিক জলসিঞ্চন কাৰ্যালয় টো গোৱালপাৰা জিলাৰ লক্ষীপুৰলৈ স্থানান্তৰ কৰাৰ চৰকাৰী নিৰ্দেশনা প্ৰকাশ হৈছে । এই নিৰ্দেশনাৰ বিৰোধীতাৰে ৰৰ আগষ্ট, বুধবাৰে টিহু আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যাগত আৰু টিহু উন্নয়ন সমিতি, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ টিহু আঞ্চলিক সমিতি, টিহু মহকুমা সাংবাদিক সন্থা, টিহু জ্যেষ্ঠ নাগৰিক পৰিষদৰ লগতে টিহুৰ বিশ টাৰো অধিক দল-সংগঠন, টিহুবাসী ৰাইজৰ সহযোগত টিহু পৌৰ সভাৰ কাৰ্যালয়ৰ সন্মুখত দুঘন্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ন কৰে ।উক্ত প্ৰতিবাদী কাৰ্যসূচীত কাৰ্যালয় দুটা টিহুৰ পৰা কোনো কাৰণতে নিবলৈ দিয়া নহ'ব বুলি হুংকাৰ দি প্ৰয়োজন সাপেক্ষে পৰিবৰ্তি সময়ত ইয়াতকৈ ভয়ংকৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰা হ'ব বুলি দল-সংগঠন কেইটাই হুংকাৰ দিয়ে ।

by Sahil Mallick

# “আকুল আহ্বান”

**সুষমা গোস্বামী**

শুন ! শুন হেৰৌ অবোধ সন্তান
কৰিবলৈ আছে তোৰ কৰণীয় বহুত কাম !!
আছিলি এদিন তই অসমী আইৰ
এটি সু সন্তান ।
তোক লৈ দেখিছিল আয়ে
জীৱন কালত বহু ৰঙীন সপোন।
আজিৰ এই দুৰ্দ্দিনত
আইক তই অকলে এৰি থৈ
ফুৰিছ অনাই-বনাই কিয় জংঘলত গৈ ?
বিচাৰিছছই বা কি ? পাইছয়েই বা কি ?
চাইছনে বাৰু এবাৰলৈও ভাবি ?
শূন্যতাহে যে তোৰ প্ৰাপ্তি ?
দিয়া নাইনে তই নিজকে ফাকি ?
গাৱেঁ গাৱেঁ দিহিঙে-দিপাঙে
অনাই-বনাই ফুৰোঁতে
জিলিকি উঠেনে তোৰ মুখত...
মুক্ত আকাশৰ তলৰ সেই স্বৰ্গীয় হাঁহিটি ?
সেয়েহে হাতত তুলি ল'লি
মুহূৰ্ত্তে মুহূৰ্ত্তে নিগৰি অহা সেই....
স্ফুলিঙ্গৰ বাহকটি ।
আহেনে ঘুমটি তোৰ অন্ধকূপত থাকি ?
অমূল্য তোৰ এই মানৱ দেহাটি
নিদিবি যাবলৈ আৰু শুকাই খীণাই !
এবাৰ গ'লে পুনু, নাপাবি দুনাই ।
কিয় এবাৰো ভাবি চোৱা নাই তোৰ
জন্মদায়িনী গৰাকীৰ কথা ?
কাঁইটে বিন্ধি থকা সৰকা কৰা দেহাটিক আৰু
শুকাবলৈ নিদিবি ।
বুকুৰ কুটুম্ব, চেনেহৰ পোনাক হেৰুৱাই
নিগৰেনে কেতিয়াবা দুঃখৰ নিজৰা ?
সমাজৰ বাবে, দহৰ বাবে তোৰ আছে
কৰিবলগীয়া বহু বহু কাম
তাক তই পাহৰিছ কিয় ?
দুখুনী আয়ে আজি সেয়েহে তোক
জনাইছে আকুল আহ্বান ।।।।

# স্বাধীনতা

**প্ৰস্তুতি শৰ্মা**
**গোলাঘাট বাণিজ্য মহাবিদ্যালয়**



“দেউতা তোমাৰ চিন্তাধাৰাবোৰ এতিয়া সলনি হ'ব হ'ল“
সময় সলনি হ'ল।
“তই এতিয়াও সৰু হৈ আছ মাজনী “
মনতে ভাবিলে দেশে স্বাধীনতা লাভ কৰা ইমান বছৰ হ'ল
যদিও মানুহৰ চিন্তাধাৰা কিন্তু একেই থাকিল। আমি বাৰু সচাই স্বাধীনে?

# স্বাধীনতা দিৱসৰ অনুভৱ বহুতৰ বাবে এক নষ্টালজিয়া

**মানসী মিশ্ৰ**



ৰাজ্যৰ চুকে-কোণে, প্ৰান্তে প্ৰান্তে স্বাধীনতা দিৱসৰ বিশাল আয়োজন চলিছে। জিলা সদৰ সমূহতো স্বাধীনতা দিৱসৰ আয়োজনৰ প্ৰস্তুতি চলিছে। যোৱাটো বৰ্ষৰ পৰা কোভিদ মহামাৰীৰ পৰিপ্ৰেক্ষিতত স্বাধীনতা দিৱস অনাড়ম্বৰ ভাৱে আয়োজন কৰা হৈ আহিছে। এই দিনটো আহিলে পলকতে মনটো আনন্দিত হয়। এইবাবেই যে এই দিনটোতেই আমাৰ ভাৰতবৰ্ষই সুদীৰ্ঘকাল ইংৰাজৰ কঠোৰ শাসনৰ তলত থকাৰ অন্তত বৃটিছৰ বগা চাহাবৰ পৰাধীনতাৰ শিকলিৰ পৰা মুক্ত হৈছিল। ঠিক একেদৰেই বছৰৰ পিছত বছৰ পাৰ হৈ গ'ল। ১৫ আগষ্টৰ দিনটো আহিলেই ৰাজ্য চৰকাৰ, ৰাইজ প্ৰস্তুত হয় স্বাধীনতা লাভ কৰা এই বিশেষ দিনটোক বিশেষভাৱে আদৰিবলৈ আৰু তাৰ বাবেই এই দিনটোত কিছু আনুস্থানিকতা সম্পন্ন কৰা হয়। এইবাৰ কোভিদ-১৯ মহামাৰীৰ পৰিপ্ৰেক্ষিতত স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতি কম। অনাড়ম্বৰ ভাৱে স্বাধীনতা দিৱস উদযাপন কৰিবলৈ লোৱা হৈছে। কিন্তু তৎস্বত্তেও স্বাধীনতা দিৱস, গণৰাজ্য দিৱস আদি আহিলেই মনটোত কিছু প্ৰশ্নই জুমুৰি দি ধৰেহি। সঁচা অৰ্থত আমি স্বাধীন হব পাৰিছোঁনে বাৰু ? দেশৰ স্বাধীনতাৰ বাবে সৌ তাহানিতে হেজাৰ হেজাৰ লোকে নিজৰ নিজৰ তপ্ততেজ দিছিল। এই তেজৰ মূল্য আমি দিব পাৰিছোঁ নে বাৰু ? বিশেষকৈ আমিবোৰ জন্মবুজা হোৱাৰ পৰাই দেখিছোঁ স্বাধীৰতা দিৱস আহিলেই কেতবোৰ অশুভ শক্তিয়ে মূৰ দাঙি উঠে আৰু হকে বিহকে নিজৰ শক্তি প্ৰদৰ্শন কৰিবলৈ প্ৰস্তুত হৈ উঠে। প্ৰায় তিনিটামান দশক আগৰে পৰাই স্বাধীনতা দিৱস, গণতন্ত্ৰ দিৱস আহিলে দুদিনমান আগৰে পৰাই যেন ৰাজ্যত এক গোমা পৰিৱেশে বিৰাজ কৰে। বহুতেই স্বাধীনতা দিৱসত স্বাধীনতাৰ সোৱাদকণেই লৈ পোৱা নাই আজিলৈ। অথচ এই দিনটোতে আমাৰ ৰাজ্যৰ মানুহবোৰে স্বাধীন দেশৰ নাগৰিক হিচাপে স্বীকৃতি লাভ কৰিছিল। স্বাধীনতা দিৱসৰ পবিত্ৰ মূহুৰ্তত সমনীয়াৰ হাতত ধৰাধৰিকৈ ৰাষ্ট্ৰীয় পতাকাৰ তলত থিয় হৈ ৰাষ্ট্ৰীয় সংগীত গোৱাৰ সেই বিমল আনন্দৰ পৰা বঞ্চিত হৈছোঁ। একেলগে লগ লাগি বুটমাহ খোৱা, চকলেট খোৱা, কথাছবি গৃহত সমনীয়া, শিশু, চেমনীয়াৰ লগত বহি কথাছবি চোৱাৰ দৰে আনন্দদায়ক মূহুৰ্তবোৰৰ কথা পৰিয়াল অথবা জ্যেষ্ঠজনৰ পৰা শুনিছোঁ। আমি কিন্তু নিজে সেই জগতখনৰ পৰা বঞ্চিত হৈ আহিছোঁ। এইবোৰ কথা এতিয়াৰ বয়সত নিজৰ পৰিপক্ক মানসিকতাৰে চালিজাৰি চালে নিজকে দুৰ্ভগীয়া যেন বোধ হয় এইবোৰেই যে স্বাধীনতা দিৱস, গণৰাজ্য দিৱস আদি মহত্বপূৰ্ণ দিন একোটাতো আমাক ভয়, সন্ত্ৰাস আদিয়ে খেদি ফুৰে। হেজাৰ হেজাৰ ভাৰতীয়লোকৰ অক্লান্ত, শ্ৰম, ত্যাগ, ধৈৰ্য্য আৰু টোপাল টোপাল তেজৰ বিনিময়ত দেশে স্বাধীনতা লাভ কৰাৰ পিছত এই মহান দিনটোত এচাম লোকে সমাজ কিছু নেতিবাচক কামৰ যোগেদি। এনে কাৰ্যৰ দ্বাৰা দৰাচলতে আমাৰ স্বাধীনতাৰ মৰঞ্জয্যাদাক অপমান কৰা হৈছে। বহু সংগ্ৰামী সত্বাৰ ত্যাগ আৰু আদৰ্শক যেন উপলুঙা কৰা হৈছে। আমাৰ ৰাজ্যখনত যদি তিনিটামান দশকৰ পৰিস্থিতি পৰ্য্যালোচনা কৰি চাওঁ তেন্তে এনে ভাৱ হয় স্বাধীনতা, গণতন্ত্ৰ আদি শব্দবোৰ আমাৰ ৰাজ্যখনৰ বাবে মূল্যহীন হৈ পৰিছে। স্বাধীনতা দিৱস আহিলেই প্ৰতিবছৰে মনলৈ আহে ধেমাজি জিলাত অকালতে হেৰাই যোৱা সেইজাক শিশু আৰু কিশোৰ-কিশোৰী। স্বাধীনতা দিৱসৰ কাৰ্যসূচীত পতাকা উত্তোলনৰ সময়ত জাতীয় সংগীত গাবলৈ বুলি ঘৰৰ পৰা হাঁহি হাঁহি আনন্দেৰে ওলাই যোৱা সেইজাক শিশু আৰু কিশোৰ-কিশোৰী। ঘৰলৈ উভতি আহিল পুৰি কলা হৈ যোৱা একোটি মৃতদেহ হৈ। স্বাধীনতাৰ অৰ্থ ভালদৰে বুজাই হোৱা নাছিল এইজাক শিশুৰে। কি অপৰাধ আছিল তেন্তে এওঁলোকৰ। স্বাধীনতা দিৱসত ভাগ লবলৈ গৈ নিমিষতে পুৰি ছাই হৈ গৈছিল। আমি কোনেও পাহৰিব নোৱাৰো নিৰিহৰ তেজেৰে ফাঁকু খেলা সেই কলংকময় ইতিহাস। এতিয়াও যেন সেই স্মৃতি ভৱনৰ সমুখেদি আহিলে, এজাক ল'ৰা-ছোৱালীৰ চিঞৰ কাণত ভাঁহি উঠে। তেওঁলোকে যেন কৈ উঠে আমাক আমাৰ জীৱনবোৰ ঘূৰাই দিয়া, আমাক জীৱনৰ স্বাধীনতাবোৰ ঘূৰাই দিয়া। স্বাধীনতা দিৱস কাষ চাপি আহিলেই নিশ্চই অসমৰ সকলো বিবেকবান মানুহৰে মনত পৰে এই নিৰীহ নিষ্পাপ শিশু আৰু কিশোৰ-কিশোৰীকেইটালৈ। স্বাধীনতা দিৱসৰ মূহুৰ্ত আহিলেই মোৰ মনলৈ আহে আজিৰ একবিংশ শতিকাতো আমাৰ ৰাজ্যত "ডাইনী", সোপাধৰা মিছা সন্দেহত মানুহ কোবাই কোবাই হত্যা কৰা কথা। মনলৈ আহে ৬ মহীয়া, ৬ বছৰীয়া শিশু, ৬০ বছৰীয়া মহিলাক নিজৰ পিতৃৰ বয়সৰ পুত্ৰৰ বয়সৰ লোকে বলাৎকাৰ কৰাৰ দৰে নিৰ্লজ কাহিনীবোৰৰ কথা। এয়াই নেকি স্বাধীনতা আমাৰ ৰাজ্যত য'ত এতিয়াও স্বাধীনতাৰ নামত নিৰ্বিবাদে মানৱৰ হত্যা হয়। এতিয়াও যিখন ৰাজ্যত এটা পঞ্চাচ টকা অথবা এশ টকাৰ বাবে মানুহ হত্যা কৰা হয়। দেশে স্বাধীনতা লাভ কৰাৰ পিছত, সংবিধান স্বীকৃত হোৱাৰ পিছতেই আমাৰ যথেষ্ট সাংবিধানিক সুৰক্ষা প্ৰদান কৰা হৈছে। সুৰক্ষিত ভাৱে জীয়াই থকাৰ অধিকাৰ দিয়া হৈছে, নিজৰ এলেকাৰ ভিতৰত স্বাধীন ভাৱে ফুৰা চকাৰ অধিকাৰ দিয়া হৈছে, মত প্ৰকাশৰ অধিকাৰ দিয়া হৈছে। জীৱন আৰু সম্পত্তিৰ ওপৰত সুৰক্ষা দিয়া হৈছে, কিন্তু বাস্তৱক্ষেত্ৰত আমি কি দেখিছোঁ জীৱনৰ সুৰক্ষাৰ নূন্যতম অধীকাৰখিনিতো পাব লাগে দেশৰ জনসাধাৰণে, কিন্তু এইসমূহৰ কোনোটোৱে আমি প্ৰকৃততে লাভ কৰা নাই। দেশৰ সাধাৰণ জণসাধাৰণক প্ৰতিটো মূহুৰ্ততে মৃত্যুভয়ে খেদি লৈ ফুৰে। সেই আশংকা বুকুত লৈয়ে ৰাইজে ইফাল-সিফাল কৰিবলগীয়া হয়। স্বাধীনতাৰ ৭৫ বছৰ হোৱাৰ পিছতো ৰাজ্যখনৰ বহু গাঁৱত বিজুলীৰ পোহৰ পোৱা নাই। বহু গাঁৱৰ মানুহে এতিয়াও নৈ, পুখুৰীৰ ঘোলা পানী খায়, কোনোবা ঠাইত আকৌ খাবলৈ পানী টুপীৰো অভাৱ। ৰাজ্যৰ কোনোবা কোনোবা প্ৰান্তত যাতায়তৰ নামত বাঁহৰ সাকোঁ, কোনো ঠাইত আকৌ বাৰিষা খৰালি সকলো সময়ত মানুহে নৈত সাঁতুৰি, নৈৰ বুকুৱেই অহাযোৱা কৰে। সচাঁকথা কবলৈ গ'লে স্বাধীনতাৰ সাতটা দশক পাৰ হৈ যোৱাৰ পিছত

(ছয় পৃষ্ঠাত চাওক)

# জাতীয় পতাকাৰ ইতিবৃত্ত

জুনু গোস্বামী খাওন্দ

দেবস্থদেৱীৰ ওচৰত ভক্তৰ যেনেকৈ শিৰ অৱনত হয় ঠিক তেনেকৈ প্ৰত্যেক জাতিৰে নিজৰ জাতীয় পতাকাখনৰ ওচৰতো তদ্ৰূপভাৱ জাগ্ৰত হয় । কিন্তু বৈদেশিক শাসন নীতিত পৰাধীন জাতি বিলাকে জাতিয় পতাকানো কি ' তাৰ সন্মান বা আসন কিমান উচ্চ তাক উপলব্ধি কৰিব পৰা নাছিল। ভাৰতবৰ্ষও আছিল ঠিক তেনেকুৱা এখন দেশেই । ভাৰতবাসীয়ে ব্ৰিটিছ পতাকা য়ুনিয়ন জেককে নিজৰ পতাকা হিচাবে মানি আহিছিল যদিওঁ পতাকা অভিবাদনৰ গুৰুত্ব বহুতে উপলব্ধি কৰিব পৰা নাছিল । আনকি ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভাৰ অধিবেশনবোৰতো প্ৰায় অৰ্দ্ধ শতিকা ধৰি য়ুনিয়ন জেক উণ্ডোলন কৰি আহিছিল। এবাৰ এজন ভাৰতীয় যুবক আমেৰিকালৈ যাওঁতে জাহাজৰ আৰোহী জাপানী যুৱক এজনে অতি ভদ্ৰ আৰু বিনীতভাৱে নিজ দেশৰ পতাকাখন দেখুৱাই সুধিলে " আমাৰ জাতীয় পতাকা এনেকুৱা । আপোনালোকৰ কেনেকুৱা অনুগ্ৰহ কৰি কবনে ? যুৱকজনে একো উওৰ দিব নোৱাৰি মৰ্মান্তিক আঘাট পালে আৰু নিজৰ দেশ যে দাসত্বৰ অধীনত তাক তীব্ৰ ভাবে অনুভব কৰিলে । তেনেদৰে কোনোবা ভাৰতীয়লোক স্বাধীন দেশত ফুৰিবলৈ গ'লে এনেধৰণৰ প্ৰশ্নৰ সন্মুখীন হব লগা হৈ হৈছিল ।। ১৯০৫ চনত ইংলেণ্ড আৰু ফ্ৰান্সলৈ শিক্ষা গ্ৰহণ কৰিবলৈ যোৱা কেইজনমান দেশ প্ৰেমীক ভাৰতীয় যুৱকে তিনি ৰঙৰ পতাকা এখনৰ আঁচনি কৰি তাকেই ভাৰতীয় জাতীয় পতাকা বুলি ঘোষনা কৰিলে । কিন্ত ভাৰতীয়সকলৰ পৰা আশা কৰা ধৰণে কোনো সমৰ্থন নাপালে ।



ইয়াৰ মুলতে হৈছে য়ুনিয়ন জেকৰ সলনি যে অন্য কিবা পতাকা থাকিব পাৰে সেই কথাটো ভাৰতীয় সকলৰ বাবে বুজাটো কঠিন হৈ পৰিছিল । কিন্ত তেওঁলোক সিমানতে ক্ষান্ত নাথাকি মনত অদম্য উৎসাহ লৈ ৰাজনীতিৰ ক্ষেএখনত মন দিবলৈ ধৰিলে । তেনে সময়তে ১৯১৬ চনত কেইজনমান বিজ্ঞ ৰাজনীতিকৰ মনতো জাতীয় পতাকাৰ ভাৱৰ ঢৌ খেলালে । তেওঁলোকেও বহু ৰঞ্জিত আৰু বহু চিত্ৰিত পতাকা এখনৰ আঁচনি কৰিলে যদিও সেইখনো সৰ্বসন্মত নহ'ল । অৱশেষত বেজৱাদাত হোৱা কংগ্ৰেছ মহাসভাৰ ১৯২১ চনৰ অধিবেশনত জাতীয় পতাকাৰ প্ৰশ্নটিয়ে ৰাজনৈতিক মহলত আলোড়নৰ সৃষ্টি কৰে । তেতিয়া মহাত্মা গান্ধীয়ে জাতীয় পতাকা এখনৰ আঁচনি কৰি সেই সভাত দাখিল কৰে ।।

( ইয়াৰ পিছৰখিনি পঢ়িবলৈ আমাৰ ৱেবচাইটোত www.rongilibarta.com যাওঁক)

# শাওণত আকাশে বিনায়

বিন্দু ৰাজবংশী কলিতা

শাওণ আহিলেই আকাশ খনে বিনায়।পানী ছাৰিওফালে মাথোন পানী।পানীৰ জৰজৰনি, পানীৰ খলখলনি।নৃত্যৰতা শাওনে চৌদিশে বান্ধি লয় যেন মেঘমল্লাৰ ৰাগৰ ঘুংগুৰু। পৃথিৱীক শিকাই সৃষ্টিৰ নৱতম মুদ্ৰা। আকাশত ক'লা মেঘ জমিলে মোৰ বুকুখনো কি যে এক অনাবিল আনন্দত ভৰুন হৈ পৰে। উভটি যাও শৈশৱৰ সেই বৰষাৰ দিনবোৰলৈ। দেউতাই সাজি দিয়া কাগজৰ নাওঁ খন পানীপোতাত চলাই ফূৰ্তিত জপিয়াই থকা দিনবোৰলৈ। শাওণৰ বিননি শুনিলেই খাল বিল, পুখুৰী ভৰি পৰে, ভেকুলীয়ে নিজস্ব ভংগীমাত টোৰটোৰাবলৈ আৰম্ভ কৰে। মাটি ফুটি ওলাই আহে কেঁচু। কনমানি অনেক জীৱই প্ৰাণ পাই উঠে।সেউজীয়া হৈ পৰা ঘাঁহনি ডৰাত জোকে পিলপিলাই উঠে। ভয়তে চিঞৰি উঠো অথচ ছাই ছাই হেপাঁহ নপলাই। প্ৰতিশ্ৰুতিৰে ভৰা শাওণৰ বৰষুণ। ধৰনী সেউজীয়া কৰিবলৈ কলীয়া মেঘৰ ওৰণি ফালি নামি আহে বৰষুজাক। বৰষূনৰ সৈতে থকা কৃষকৰ সেউজীয়া সপোণবোৰ বাস্তৱায়িত কৰিবলৈ ধৰাৰ বুকু বিদিৰ্ন কৰে বৰষুণ জাকে। কবি হীৰেন ভট্টাচাৰ্যৰ ভাষাৰে "মোকে চহাই মৈয়াই শইচৰ গুটি সিঁচি দিয়া। চকুৰ পানীৰে জিপ দিম শিৰলুৱা বুকুৰ মাটি। হাড়-হিমজুৰ সাৰত লহপহকৈ বাঢ়িব উঠিব। ধান -মাহ সৰিয়হ শইচৰ সুদৃশ্য বৰ্ণমালা।" বৰষূণ মানেই মনৰ মাজত জিলিকি উঠে চপৰা চপৰে ক'লা মেঘেৰে ওফন্দি অহা আকাশখন..তাৰ লগে লগে চিকমিকাই উঠা বিজুলীৰ ৰেখাবোৰ। এটোপ দুটোপ তাৰ পিছত নামি আহে ধাৰাসাৰ বৰষুণ। ফেনেফোটোকাৰে ভৰি পৰে লুইতৰ বুকু। ওফন্দি উঠে লুইতৰ গহীন বুকু। গৰমত দহিব ধৰা শৰীৰক শীতল কৰিবলৈ শাওণৰ বৰষুণ জাকত তিতিবলৈ মন যায় সকলোৰে।সেয়ে হয়তো গায়কৰ ওঁঠেৰে নিগৰিত হয়

"টোপাল টোপাল বৰষূণে আহি
চকুৰ পতাত চুমা সিচি দি যায়,
মেঘৰ নাচোনে পৃথিৱী কঁপালে
সেউজ অহাৰ আজি বাতৰি পাই।"

বৰষূণৰ স্পৰ্শত যেনেকৈ কৃষকে সপোন পুৰাবলৈ সাজু হয় ঠিক একেদৰে বৰষুণৰ অনুভৱে সৃষ্টি কৰে শিল্পী আৰু কবিৰ মনৰ অনেক গীত আৰু কবিতাৰ। কবিৰ বাবে বৰষুণ হৈ পৰে প্ৰেমৰ প্ৰতীক। সেইবাবেই চাগে অম্বিকা গিৰী ৰায়চৌধুৰীয়ে লিখিছিল

"তুমি মেঘৰ ওৰণি টানি
ঢালি যোৱা লাহৰী ৰজনী
তুমি বিজুলী হাৰেদি গাঁথি
বান্ধি দিয়া ব্ৰজৰ গৰ্জনি।

সুধাকণ্ঠ ভুপেন হাজৰিকাইও গাইছিল "এতিয়া নিদিবা বৰষা



বাটত আছে প্ৰিয়া, প্ৰিয়া অহাৰ পিছত ধাৰাসাৰ দিয়া.... ।আচলতে বৰষুণ অকল প্ৰেমৰেই নহয়, অকল কৃষকৰেই বুকুৰ আশা নহয় বৰষুণ হৈছে সেউজীয়া জোনাক। সাহসৰ প্ৰতীক। সেইবাবেই ডন্ভবেন্দ্ৰ নাথ শইকীয়াই লিখিছিল সেই প্ৰানভৰা গীতটো....

"ক'ৰ এজাক সপোন যেন বৰষুণ
ধূলিৰ ওৰণি ঠেলি ভাহি আহে,
ভাহি আহে
কোমল মাটিৰ গান গুণ গুণ গুণ
গুণ
এজাক সপোন যেন বৰষুণ...

বৰষুণ হৈছে খেতিয়কৰ জীৱনী শক্তি। বৰষা ঋতুতে আমাৰ কৃষকসকলে খেতি পথাৰত সোনগুটি সিঁচে। শাওণৰ বৰষুণত তিতি তিতি কঠিয়া সিচে, পথাৰত বোকা দিয়ে, আলি দিয়ে। কান্ধত বৈ নিয়ে মেটমৰা কঠিয়াৰ ভাৰ। বাৰিষাৰ বৰষুণ যেন চহা জীৱনৰ এটা ডাঙৰ উপহাৰ জীৱন জীয়াবৰ এটা নতুন প্ৰতিশ্ৰুতি। বৰষূণৰ অবিহনে গতি নাই কৃষকৰ। খেতিয়কৰ বাবে বৰষূনেই একমাত্ৰ ভৰষা। তাহানিতে আইতাই কৈছিল ফকৰা যোজনা ফাকি "আহক বাৰিষা কাতক পাত, বৈ যা ভিনিহি খাই যা ভাত।" পিছে এতিয়া সলনি হৈছে প্ৰকৃতি, সলনি হৈছে পৃথিৱী। এতিয়া প্ৰকৃতি ৰুষ্ট, খঙাল। হয়তো মানুহৰ কিবা ভুল হৈছে। সলনি হৈছে শাওণৰ বৰষূণজাক। এতিয়া বৰষুণ নামি আহে মানুহৰ দুৰ্যোগ হৈ। নৈৰ বাঢ়নি পানীয়ে এতিয়া পলস নেপেলাই। কাঢ়ি নিয়ে দুখুনীৰ জীৱন। পলকতে উটুৱাই নিয়ে জীৱনৰ সমস্ত। দৰিদ্ৰ জনক কোঙা কৰি আতৰি যায় শাওনৰ বৰষুণজাক। বিগত কেইবাটাও বছৰত বৰষূণৰ ভয়াবহ বিভিষীকাই আতংক কৰিছে ৰাইজক। ৰাইজে প্ৰাৰ্থনা কৰি কাবৌ কৰি বাৰিষাক ক্ষমা খুজিছে ঠায়ে ঠায়ে। তথাপিও আমি বৈ থাকো শাওণৰ বৰষূনজাকলৈ। অপেক্ষা কৰো সেউজীয়া জোনাকবোৰলৈ। আকৌ শাওণে বিনাবলৈ ধৰে। ভাল লগা আৰু শংকা মিশ্ৰিত মনোভাবেৰে মনত পৰে কবি সাহিত্যিক গিতীকাৰ কেশৱ মহন্তৰ সেই সাহস দিয়া গীতফাকিলৈ

"ৰাইজে মাৰিব ওখকৈ ভেটা
ঢলে এৰি যাব পলসৰ
এঠা....।"

# স্বাধীনতা মনৰ স্বাধীনতা দেশৰ

জয়ন্ত শৰ্মা



মুকলিত ব-হ -ল কৈ হাত দুটা মেলি দিয়া, বুকুখন ভৰাইতোলা যি অনুভৱ মোৰ বাবে সেয়ে স্বাধীনতা। বাৰীৰ ফুলনিৰ মাজত দীঘলকৈ এটা উশাহ লোঁৱা, এটা নির্মল আপোন আপোন গোন্ধ পাবা নাম বিহীন এই গোন্ধৰস্বকীয়তা যে স্বাধীনতা। মনতে এটা প্রেমৰ কবিতা লিখাচোন, ভাব পৰিধিৰ যি অনন্তব্যাপ্তি তাৰ নামো স্বাধীনতা। বান্ধোন মুক্ত পশুৱে আপোনমনে মুৰ জোকৰা চাই মনৰ যি আনন্দ অনুভুতি, সেয়ে স্বাধীনতাৰ অনুভৱ। এই অনুভুতিবোৰ সক্রিয় কৰিবলৈ মনৰ যি তাড়না, সিয়ে স্বাধীনতাৰ পিপাশা। সংঘবদ্ধ ৰূপেই স্বাধীনতাআন্দোলন, এক জনকল্লোল। মনৰ তাড়নাৰ সার্থক উপলব্ধিত অংকুৰিত হ'ল স্বাধীনতাৰ বীজ। এই বীজ সশব্দে পূর্ণ বৃক্ষ হ'ল, দিন বাচি ল'লে ১৯৪৭চনৰ ১৫ আগষ্ট। পোন্ধৰ আগষ্ট মানে পৰাধীনতাৰ শৃংখল চিঙি স্বাভিমান সিঁচাৰ দিন, সফলতাক বিশালতালৈ প্রসাৰিত কৰাৰ দিন।

# ৰাজ্যত নতুনকৈ কৰ'নাত সংক্ৰমিত ৭৬৩ জন

বাৰ্ত্তাসেৱা — ৰাজ্যত পুনৰ নতুনকৈ কৰ'নাত সংক্রমিত হৈছে ৭৬৩ জন লোক। গুৱাহাটী মহানগৰীত নতুনকৈ কোভিড সংক্রমিত হোৱা লোকৰ সংখ্যা হৈছে ১২৪ গৰাকী লোক। অৱশ্যে, আক্রান্ত লোকসকলৰ ভিতৰত মৃত্যু ঘটিছে পুনৰ ২০ গৰাকী লোকৰ। উল্লেখ্য যে ৰাজ্যখনত চিনাক্ত হৈছিল ৯৩৫ গৰাকী কোভিড পজিটিভ। ইয়াৰে ভিতৰত গুৱাহাটীত পজিটিভ চিনাক্ত হৈছিল ১৬৩ গৰাকী। কোভিড সংক্ৰমণৰ হাৰ নিম্নগামী হ'লেও মৃত্যুৰ সংখ্যা সামান্যভাৱে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে সমগ্র ৰাজ্যখনতে ১, ১৫, ৪৬৫ গৰাকী লোকৰ দেহত কোভিডৰ পৰীক্ষা কৰা হৈছিল আৰু ইয়াৰে ভিতৰত ৭৬৩ গৰাকী লোক কোভিড পজিটিভ বুলি চিনাক্ত হৈছে।



# স্বাধীনতা দিৱসৰ অনুভৱ

উন্নয়নৰ নামত আমি জৰাজীৰ্ণ ছবি এখনহে দেখিবলৈ পাঁও। এতিয়াও এইখন ৰাজ্যত মানুহৰ তিলমানো সুৰক্ষা নাই। অভিভাৱক ! পিতৃ-মাতৃয়ে নিজৰ সন্তানক স্বাধীনতা দিৱসৰ কাৰ্য্যসূচীত ভাগ লবলৈ যাবলৈ দিব সংকোচ কৰা হ'ল। স্বাধীনতা দিৱসৰ মূহুৰ্তত যদি আমি সেইসকল অভিভাৱক ! পিতৃ-মাতৃৰ কথা চিন্তা কৰোঁ, যিসকলে স্বাদীনতা দিৱসৰ কাৰ্য্যসূচীত হাঁহি হাঁহি ভাগ লবলৈ যোৱা নিজৰ নিষ্পাপ শিশুসকলৰ দেহবোৰ এঙাৰত পৰিণত হোৱা নিজ চকুৰে দেখিছিল। সেয়েহে ইয়াৰ পিছত কোনমতে নিজৰ সন্তানক স্বদীনতা দিৱসৰ কাৰ্য্যসূচীত ভাগ লবলৈ এৰি দিব। যিখন ৰাজ্যত নিৰ্ভীকতাৰে সেৱা আগবঢ়াই ৰাইজৰ সুখদুখৰ খবৰ বিলাবলৈ কৰ্তব্য কৰিবলৈ যোৱা ২৪ জন সাংবাদিকক অতি নিৰ্মমভাৱে হত্যা কৰা হৈছিল কেইটামান বৰ্ষৰ ভিতৰতে, তেনে এখন ৰাজ্যত স্বাধীনতা আৰু গণতন্ত্ৰৰ মূল্যই বা ক'ত। আমি স্বাধীন দেশৰ নাগৰিকসকলে ভয়, শংকাহীনভাৱে এটা খোজো যদি আগবঢ়াব নোৱাৰো, তেন্তে ৰাজ্যখনত স্বাধীনতা দিৱস উদযাপনৰ কোনো সাৰ্থকতা নাই। স্বাদীনতা লাভৰ ৭৫ বছৰ পিছতো আমাৰ ৰাজ্যখনৰ শাসক-শাসিত, ধনী-দুখীয়া, পুৰুষ-মহিলাক লৈ ব্যৱধান চলাটো দুখৰ বিষয়। এই ব্যৱধান কমাবলৈ দেশৰ গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচিত হোৱা আমাৰ ৰাজ্যৰ নতুন চৰকাৰখনেও যথেষ্ট যত্ন কৰক। এইক্ষেত্ৰত তেওঁলোকে ৰাইজৰ উন্নয়নক ওচৰৰ পৰা গুৰুত্ব দিব বুলি আমি যথেষ্ট আশাবাদী। তেতিয়াহে আমাৰ স্বজাতি আৰু স্বভূমি সুৰক্ষিত হ'ব আৰু সকলোৱে নিৰ্ভয়ে নিসংকোচে স্বধীনতা দিৱসৰ আনন্দত ভাগ লব পাৰিব।

# বহুমুখী প্ৰতিভাৰ আকৰ

বিশ্ববিদ্যালয়ৰ আঞ্চলিক ভাষাৰ পাঠ্যপুথি সম্বন্বয় সমিতিৰ সচিব, সংগীত নাটক একাডেমিৰ সদস্য, ইণ্ডিয়ান নেশ্যনেল কাউন্সিল ফৰ ইউনেস্কোৰ সদস্য, অসম ৰাজ্যিক চলচ্চিত্ৰ নিগমৰ অধ্যক্ষ, পুনেৰ ফিল্ম এণ্ড টেলিভিছন ইনষ্টিটিউট অফ ইণ্ডিয়া ছক্সচাইটিৰ সদস্য, নেশ্যনেল বুক ট্ৰাষ্টৰ সদস্য আৰুঞ্জ ীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উপ-সভাপতি। একেজন ব্যক্তিয়েই বিভিন্ন দিশত বিভিন্ন ক্ষেত্ৰত সুকলমে কাৰ্যনিৰ্বাহ কৰি তেখেতৰ স্বীয় প্ৰতিভা আৰু অতুলনীয় কৰ্মশক্তিৰ পৰিচয় দি থৈ গৈছে।

"পঢ়া- শুনাক সৰ্বাধিক গুৰুত্ব দিয়া, কঠোৰ পৰিশ্ৰম কৰা, নানা ধৰণৰ ঘৰুৱা কাম নিজ হাতে কৰা- এইবোৰ ক্ষেত্ৰত পিতাইৰ নেতৃত্ব বৰ মূল্যবান আছিল।"বুলি কোৱা বহুমুখী গুণৰ অধিকাৰী ব্যক্তিজনে সেই সাংস্কৃতিবান পৰিয়ালটো, ওচৰ চুবুৰীয়া, শৈশৱৰ খেল ধেমালি, চৌপাশৰ পৰিবেশ আদিক সম্পদ হেন জ্ঞ ান কৰিছিল। যিয়ে তেখেতক অসাধাৰণ প্ৰতিভা আৰু সৃষ্টিশীল কামৰ প্ৰতি আগ্ৰহান্বিত কৰি তুলিছিল। তেখেতৰ ভাষাত"এই সকলো লগৰীয়া মোৰ কাৰণে এটা পুথিভঁৰাল ৰ কিতাপৰ নিচিনা হৈ আছে। কিছুমান উৰলি গৈছে আৰু কিছুমান হাতপুথিৰ নিচিনা হৈ আছে। এনেকুৱা পুথিভঁৰাল বোৰ বৰ মূল্যবান সম্পদ।"(পৃষ্ঠা ৫১৭ গল্প আৰু শিল্প)

প্ৰান্তিকৰ শেষ পৃষ্ঠাৰ"মোৰ জীৱনৰ কথা"ত তেখেতৰ নিয়মানুবৰ্তী, সময়ানুবৰ্তী আৰু পৰিকল্পিত ভাবে কৰা জীৱন — যাপনৰ স্পষ্ট নিদৰ্শন পোৱা যায়। তাৰোপৰি তেখেতেৰ কোনোটো লেখাই পৰিমাৰ্জন বা পুনৰীক্ষণ ৰ প্ৰয়োজন নাছিল। একেবাৰতে ছপা কৰিব পৰা কৈ লিখাটো ভাবিলে সঁচাকৈয়ে আচৰিত হ'ব লগীয়া হয়।

অসমৰ সাহিত্য- সংস্কৃতিৰ জগত খন তেখেতে কালজয়ী সৃষ্টিৰাজীৰে জীপাল কৰি থৈ গৈছে। অসমৰ প্ৰথিতযশা সাহিত্যিক সকলৰ ভিতৰতে অন্যতম ভবেন্দ্ৰনাথ শইকীয়া দেৱৰ গল্প সমূহ ভাৰতৰ বিভিন্ন ভাষালৈ অনূদিত হৈছে।নাট্য জগতলৈ ও আগবঢ়াই থৈ গৈছে অনবদ্য অৱদান।অল ইণ্ডিয়া ৰেডিঅ'যোগে প্ৰচাৰিত তেখেতৰ বহু কেইখন নাটকে শ্ৰোতাৰ অন্তৰ জয় কৰিবলৈ সক্ষম হৈছিল। সেইদৰে চলচ্চিত্ৰ জগতত সন্ধ্যাৰাগ, অনিৰ্বাণ, অগ্নিস্নান, কোলাহল, সাৰথি, ইতিহাস আদি চলচ্চিত্ৰ ৰ বাবে ভাৰত চৰকাৰৰ ৰজত কমল বঁটা লাভ কৰে।২০০১ চনত ভাৰত চৰকাৰৰ ' পদ্মশ্ৰী' সন্মান লাভ কৰা শইকীয়া দেৱে ১৯৯৮ চনত অসম চৰকাৰৰঞ্জ ীমন্ত শংকৰদেৱ বঁটা, ১৯৯০ চনত অসম উপত্যকা সাহিত্য বঁটা, শৃংখল গল্প সংকলন ৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰে ।

অসমীয়া শিশু সাহিত্য জগতখনলৈও তেখেতে অমূল্য অৱদান আগবঢ়াই থৈ গৈছে। শিশু আলোচনী সঁফুৰাৰ প্ৰতিষ্ঠাপক সম্পাদক ড. ভবেন্দ্ৰনাথ শইকীয়াৰ মৰমৰ দেউতা ; শান্ত শিষ্ট হৃষ্ট পুষ্ট মহাদুষ্ট; মহাদুষ্টৰ দুষ্ট বুদ্ধি; তোমালোকৰ ভাল হওক; মোৰ শৈশৱ মোৰ কৈশোৰ আদি উল্লেখযোগ্য শিশু পুথি।

২০০৩ চনৰ ১৩আগষ্টত ইহলীলা সম্বৰণ কৰা এই গৰাকী প্ৰোজ্জ্বল ব্যক্তিক ১৮ সংখ্যক স্মৃতি দিৱসত তেখেতৰ বয়স প্ৰাপ্তিৰ সময় ত হোৱা তেখেতৰ স্বীয় অনুভৱেৰে শ্ৰদ্ধা নিবেদন কৰিছোঁ।"মানুহ আৰু বিজ্ঞ ানৰ খেলাতকৈ এতিয়া প্ৰকৃতিৰ খেলা দেখি বেছি বিস্মিত হওঁ। সন্মুখৰ এই কম্পিউটাৰ টোৰ পৰ্দা খনে যিমান বিস্ময় জগাইছিল, আজিকালি এটা ঋতু আহিলেই যে লঠঙা ডালটোত কুঁহিপাত ওলায়, এটা ঋতু আহিলেই যে কুঁৱলী পৰে, সেই বোৰ ঘটনাই বেছি বিস্ময় জগায় ।মানুহ, প্ৰকৃতি-সকলোলৈকে মৰম বাঢ়িছে।"(পৃষ্ঠা ৫৪০ )

# SBKF আন্তৰাষ্ট্ৰীয় মাষ্টাৰ্চ্ছ এথেলেষ্টিকত সোণাৰ পদক লাভ কুঞ্জ লতা বড়োৰ




বাৰ্ত্তাসেৱা- নেপালত অনুষ্ঠিত হোৱা ২০২১ বৰ্ষৰ অন্তৰাষ্ট্ৰীয় মাষ্টাৰ্চ্ছ এথেলেষ্টিক, SBKF প্ৰতিযোগীতাত ভাৰতৰ হৈ অংশগ্ৰহণ কৰা ১০০ মিটাৰ আৰু ২০০ মিটাৰ দৌৰ প্ৰতিযোগিতাত কেইবাখনো দেশৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা খেল খনত ভাৰতৰ হৈ ৰিপ্ৰেজেণ্ট কৰা ওদালগুৰি জিলাৰ কলাইগাঁৱৰ নিবাসী কুঞ্জ লতা বড়োই প্ৰথমস্থান দখলৰে স্বৰ্ণ পদক লাভ কৰি ভাৰত তথা অসমলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। **By Amarjit Rabha**

# স্বাৱলম্বীতাৰ নিদৰ্শন উদীয়মান যুৱকৰ খৈৰাবাৰীত গাহৰি ফাৰ্মৰ শুভ উদ্বোধনী



বাৰ্ত্তাসেৱা- ওদালগুৰি জিলাৰ অন্তৰ্গত খৈৰাবাৰীৰ সোনাইপাৰাৰ যুৱকৰ এক আদৰনীয় পদক্ষেক। যিটো সময়ত যুৱক যুৱতী সকলে চৰকাৰী আচনি কিম্বা চাকৰিৰ বাবে হাবাথুৰি খাই ফুৰিছে তেনে সময়ত সুনন্দ দৈমাৰী নামৰ যুৱক জনে এক উজ্জ্বল নিদৰ্শন ডাঙি ধৰিছে। দৈমাৰীয়ে নিজা ববীয়াকৈ একক প্ৰচেষ্টাৰে এটা বৈজ্ঞানিক পদ্ধতিৰে গাহৰি পালনৰ মনোনিৱেশ কৰিছে উদীয়মান যুৱক সুনন্দ দৈমাৰীয়ে। দৈমাৰীয়ে নিৰ্মাণ কৰি উলিওৱা "গন্দ্ৰা " নামৰ গাহৰি ফাৰ্ম খনৰ আজি শুভ উদ্বোধন কৰে DY365 ৰ সাংবাদিক ধনঞ্জয় ৰামচিয়াৰীয়ে। উল্লেখযোগ্য যে সুনন্দ দৈমাৰীয়ে বিগত ২০০৮ চনৰ পৰা স্থানীয় গাহৰি পালন কৰি আহিছে যদিও বৰ্তমান পৰিস্থিতি আৰু চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি বৈজ্ঞ ানিক পদ্ধতিৰে গাহৰি পালন কৰিবলৈ মন মেলে আৰু তেওঁ এই ক্ষেত্ৰত বহুখিনি সফল হব পাৰিম বুলি জানিব দিয়ে, লগতে নৱ প্ৰজন্মক কৰ্মমুখী হবলৈ আহ্বান জনায়।

by Amarjit Rabha


জনতাৰ চৰকাৰ
my GOV मेरी सरकार
সহায়ৰ এখন হাত
প্ৰাৰ্থনা আঁচনি
মৃত ক'ভিড ৰোগীৰ নিকটাত্মীয়ক
১ লাখকৈ টকাৰ আৰ্থিক সাহায্য
মুখ্যমন্ত্ৰী শিশু সেৱা আঁচনিৰ লগতে মুখ্যমন্ত্ৰী ক'ভিড বিধৱা সাহায্য আঁচনি
লক্ষ্য
ক'ভিডত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰা লোকৰ পৰিয়ালসমূহলৈ সহায়ৰ হাত
JANASANYOG-1231/21
Register at assam.mygov.in
/mygovassam
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow Us /@diprassam
https://dipr.assam.gov.in/

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025

২৯ শাওণ, ১৪২৭ চন Rongili Barta, Date of Publication-- 15 AUGUST, 2021

# প্ৰেম-বৰ্ষা অৰণ্য

**প্ৰসেনজিত গোস্বামী**



বন্ধ কোঠাত বিচনাত বাগৰি তোমাৰ কথাই ভাবিছোঁ।
হুমুনিয়াহবোৰে কোঠাৰ বেৰ,
চিলিং বগাই খেলি আছে আপোন মনে ।
খিৰিকী খুলি দিম বুলি ভাবিও নিদিলোঁ ।
থাকক নালাগে...
আপোন মনে খেলি থকা হুমুনিয়াহবোৰে হয়তো
খিৰিকীৰে সোমাই অহা বতাহত বিতত হ'ব।
তোমাক ভাল পোৱাটো যেন বৰ্ষা অৰণ্য।
তোমাক ভাল পাওঁ বুলি কোৱাটো অৰণ্য ৰোদন।
আৰু মই?
আৰু মই?
সময়ে এৰি থৈ যোৱা কেইটামান মূহুৰ্তৰ স্মৃতি মাথো।
তোমাক ভাল পেৱাটো যেন বৰ্ষা অৰণ্য
তোমাক ভালপাওঁ বুলি কোৱাটো অৰণ্য ৰোদন।

# ৰীল-ৰিয়েল

**ববিতা বৰা**




পঞ্চাশ, পাচপন্ন...এশ দুই..এশ সাতাইশ...
ইমানবোৰ কন্টেক নম্বাৰৰে ভৰি আছে হোৱাটচ এপটো তাতে কিবা এটা উদ্দ্যেশত পূৰনি বন্ধু বান্ধৱীক সামৰি গ্ৰুপটো খোলাৰে পৰা আৰু বাঢ়ি গৈছে মোৰ হোৱাটছ এপ নম্বৰৰ তালিকাখন।
ভিন্ন ষ্টেটাচৰে ভৰি থকা হোৱাটচএপত পিছে নাহে একো এটা সুখ-দুখৰ বাৰ্তা।
দুই, দহ, পঞ্চাশ, সত্তৰ...
এটা এটাকৈ নম্বৰবোৰ ডিলিট কৰি গ'লো, এতিয়া ষ্টেটাচ শূন্য, বাৰ্তাবাকচ আগৰে পৰাই ৰিক্ত।
দুদিনৰ পিছত দেখিলো গ্ৰুপৰ পৰা এটা এটাকৈ বন্ধুবোৰ হৈছে লেফ্‌ট।
সেইদিনা লক্ষ্য কৰিলো, যান্ত্ৰিকতাৰ পৰা বহু দূৰৰ বাসিন্দা বৃদ্ধ কেইজনমানে তেওঁলোকৰ লেফ্‌ট হোৱা পূৰণি বন্ধুৰ সমাধিৰ ওচৰত বহি চকুলো টুকিছে। অন্তৰ ধিয়াই কান্দিছে, ৰোমন্থন কৰি অতীত ছবি।
এইফালে, মোৰ ভাৰ্চুৱেল বন্ধুবোৰে মোৰ সমাধিত বহি ফটো উঠিছে।
'Feeling sad' ৰ Emoji...with আমুক-তমুক বুলি ষ্টেটাচত মোৰ ফটো দি লাইক, কমেন্টৰ সংখ্যা ঘনাই চাইছে।
বি:দ্ৰ:চচিয়েল মিডিয়াত বন্ধুৰ তালিকাখন সময়ত বাঢ়ি গৈ আছে। একেহাৰত প্ৰকৃত বন্ধুত্বৰ তালিকাখন গৈ আছে কমি ক্ৰমান্বয়ে.. ক্ৰমান্বয়ে।

# হেৰোৱা অতীতৰ স্মৃতি

**মঞ্জুষা শৰ্মা**



নিশিতা সঁচাই এগৰাকী প্ৰকৃত মহিলা । সকলো দিশতেই সমানেই দক্ষ । সুন্দৰ ভাৱে চলাই নিছে গৃহস্থালি আৰু চাকৰি । তাৰ সমানে সমানে বাৰীত শাক — পাচলি, ফুল আৰু সন্তানটি। কোনোটোকেই অকণো অৱহেলা নকৰাকৈ নিয়াৰিকৈ দিনবোৰ অতিবাহিত কৰি আহিছে। হঠাৎ সমগ্ৰ পৃথিৱীখন স্তব্ধ হৈ পৰাৰ সমান্তৰালকৈ নিশিতাৰ জীৱনৰ ৰুটিনখনো যেন কিছু পৰিমাণে হ'লেও স্তব্ধ হৈ পৰিল ।যিখন ৰুটিন মানি দিনতো কটাইছিল এতিয়া তাত যেন কিছু শিথিলতা আহি পৰিল । অহাটোকেতো স্বাভাৱিক । কাৰণ আগৰ যি দৌৰাদৌৰিকৈ ঘৰৰ কামৰ লগত সন্তানৰ সকলো কাম শেষ কৰি চাকৰিলৈ গৈছিল এতিয়া ক'ৰণাৰ বাবে সেই অধ্যায়টোতু থমকি ৰৈ গ'ল । গতিকে নিশিতাই তাইৰ দৈনিক ৰুটিনখন কিছু সলাই তাৰ ঠাইত টিভিৰ ছিৰিয়েল দুখন চাবলৈ ল'লে ।সেইদিনা নিশিতাই পুত্ৰ বুমনৰ সৈতে ১-৩০বজাত দিয়া 'স্বাভিমান' নামৰ ছিৰিয়েলখন চাই থাকোতেই বুমনে মাকক সেইটোনো কি বস্তু আৰু আমাৰ ঘৰলৈ এনে বস্তু নাহে কিয় বুলি সুধিলে । প্ৰথমে নিশিতাই একো উৰাদিহ পোৱাই নাছিল । পিছতহে বুজিলে যে আৰাধ্যাক অচিনাকি লোকজনে দিয়া চিঠিৰ খামটোৰ কথা সুধিছে । তেতিয়া নিশিতাই বুমনক ক'লে যে সেইখন এখন চিঠি ।বুমনে মাকক চিঠিৰ বিষয়ে অলপ বহলাই বুজাই দিবলৈ কোৱাত নিশিতা ৰৈ গ'ল । নিশিতাই তেতিয়াহে উপলব্ধি কৰিলে যে আজিৰ যান্ত্ৰিকতাৰ যুগত বহুতো সৰু সৰু অথচ লাগতিয়াল কথাই নৱ প্ৰজন্মই নজনাকৈ থাকি গৈছে ।লাহে লাহে এইবোৰ যেন অটল গহ্বৰত এদিন নোহোৱা হৈ যাব । নিজৰ ভাব সাগৰত ডুব যোৱা দেখি বুমনে পুনৰ মাত মতাত নিশিতা বাস্তৱতালৈ ঘূৰি আহিল । তেওঁ ক'বলৈ ধৰিলে বুমন আজিৰ বিজ্ঞানৰ যুগত ইমান ডাঙৰ পৃথিৱীখনৰ পৰিসৰ একেবাৰে সৰু হৈ পৰিল ।সকলো মোবাইল আৰু কম্পিউটাৰৰ সহায়ত কম সময়তে লাভ কৰিব পৰা হ'ল । কিন্তু আমাৰ দিনত এইটো সম্ভৱ নাছিল জানা।এতিয়া তোমালোকে এই মোবাইলটোৰ জৰিয়তেই অপেক্ষা নকৰাকৈ একে সময়তে হোৱা ঘটনা দেখা বা শুনা ! সি য'তেই নহঁওক কিয় ।আমি জানা এই দুটা আখৰেৰে গঠিত চিঠি নামৰ কাগজ খনলৈ অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিব লগীয়া হয় প্ৰায় ১৫!২৫ দিন পৰ্যন্ত । কোনো এজন ব্যক্তিৰ মনৰ ভাৱবোৰ কিছুমান বৰ্ণৰ দ্বাৰা শব্দলৈ পৰিৱৰ্তন হয় আৰু এই অৰ্থপূৰ্ণ শব্দবোৰ মিলি বাক্যৰ ৰূপ পায় । যেতিয়া এই বাক্যবোৰ সুন্দৰ আৰু সাৱলীল ৰূপত লিখি নিৰ্দিষ্ট ব্যক্তিলৈ প্ৰেৰণ কৰা হয় তেতিয়াই ই হৈ পৰে চিঠি ।এই চিঠিখনে মানুহৰ সুখ — দুখ, দুৰ্ঘটনা, জন্ম — মৃত্যু, পুৰস্কাৰ, বিবাহ আদি বিভিন্ন ধৰণৰ কথাই কঢ়িয়াই আনে । এতিয়া তোমালোক বিদ্যালয়লৈ যাব নোৱাৰিলে যেনেকৈ বন্ধুৰ পৰা সেইদিনটোৰ সকলোবোৰ মোবাইলৰ সহায়ত কপি কৰি পোৱা। আমি আকৌ এইবোৰ চিঠিৰ সহায়ত এজনীয়ে আন এজনীলৈ দিছিলোঁ । অনুপস্থিত থকাজনীয়ে কিয় অহা নাই বা কেতিয়া আহিব তাক জনাই ওচৰৰ এজনীৰ হাতত এখন পত্ৰ দিয়ে। আনজনীয়েও উত্তৰত সকলো জনাই সেই পত্ৰবাহকৰ হাতত দি পঠিয়াই। অ' আৰু এটা কথা কি জানা তোমালোকে এনেদৰে দিওঁতে তোমালোকৰ বানানৰ যি ভুল সি শুদ্ধও নহয় বা মনতো নাথাকে। কিন্তু আমি এবাৰ পঢ়িহে পুনৰ চিঠিত লিখো বাবে আমাৰ বানানো শুদ্ধ হয় আৰু মনতো ৰয়। মুঠতে চিঠি লিখাৰ অভ্যাসৰ ফলত আমাৰ এটা খুব ভাল অনুশীলন হৈছিল। কাৰণ চিঠি লিখাৰ ফলত সময়ৰ মূল্য বুজা, আখৰ ভাল হোৱা, বানান শুদ্ধ হোৱা, পঢ়ি লিখাৰ বাবে মনত ৰোৱা আদিৰ সুবিধা হৈছিল । এখন বগা কাগজত লিখা এই চিঠিবোৰ এটা পেকেটত ভৰাই দি এফালে যিজনলৈ দিয়া হয় তেওঁৰ সম্পূৰ্ণ ঠিকনা আৰু আনফালে সৰুকৈ লিখাজনৰ নাম থাকে । তেতিয়া এই চিঠিবোৰ লেফাফা, প'ষ্টকাৰ্ড, ইংলেণ্ড লেটাৰ আদিৰ জৰিয়তে দিয়া হৈছিল ।এতিয়া থূলমূলকৈ হ'লেও চিঠিৰ বিষয়ে বুজি পালানে ? ক'ৰণাই যেতিয়া আমাক আগৰ অৱস্থা ঘূৰাই দিব তেতিয়া তুমি আইতাৰ ঘৰলৈ গৈ এইবোৰ চাই বুজি ল'বা । কাৰণ আইতায়ে এই চিঠিৰ নমুনাবোৰ বৰ সযত্নে আপুৰুগীয়া সম্পদ ৰূপে ৰাখিছে ।

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃ সম্পাদকঃ-শ্ৰী ধীৰেণ ভট্টাচাৰ্য্য সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor : Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286